# অসমৰ ঠেঙ্গাল কছাৰী জনগোষ্ঠীৰ লোকগীত

ডিব্ৰুগড় বিশ্ববিদ্যালয় স্নাতক তৃতীয় বৰ্ষৰ ষষ্ঠ ষান্মাসিকৰ অসমীয়া
**DSE-3(H)** কাকতৰ বাবে প্ৰস্তুত কৰা ক্ষুদ্ৰ গৱেষণা পত্ৰ


তত্বাৱধায়ক
ড° স্নিগ্ধা ৰাণী ৰাভা
প্ৰধান অধ্যাপিকা
অসমীয়া বিভাগ

প্ৰস্তুতকৰ্তা
মানসী কছাৰী
স্নাতক তৃতীয় বৰ্ষৰ
ষষ্ঠ ষান্মাসিক
অসমীয়া বিভাগ
**Roll No - 30810112**
**Registration No-S1921656**
**class Roll No-171**



নন্দনাথ শইকীয়া মহাবিদ্যালয়, তিতাবৰ, যোৰহাট
ইং-২০২২ বৰ্ষ

# অসমীয়া বিভাগ
# নন্দনাথ শইকীয়া মহাবিদ্যালয়
তিতাবৰ, জিলা- যোৰহাট, অসম, পিন- ৭৮৫৬৩০


প্ৰসঙ্গ নং........ তাৰিখ ঃ ০৭০৭.২০২২

**প্ৰমাণ পত্ৰ**

শ্ৰীমতী মানসী কছাৰী স্নাতক যষ্ঠ যান্মাসিক কলা শাখাৰ (বিশ্ববিদ্যালয়ৰ ৰোল নম্বৰ ঃ ৩০৮১০১১২) ৰ ছাত্ৰী। তেওঁ ড০ স্নিগ্ধা বাণী ৰাভাৰ তত্ত্বাৱধানত **DSE-3(H)** পাঠ্যক্ৰমৰ অন্তৰ্গত প্ৰকল্প কাকতৰ "**অসমৰ ঠেঙ্গাল কছাৰী জনগোষ্ঠীৰ লোকগীত**" বিষয়ত গৱেষণা কাৰ্য সম্পন্ন কৰি প্ৰকল্পটিৰ এটি প্ৰতিবেদন প্ৰস্তুত কৰিছে।

গৱেষণা প্ৰকল্প কাৰ্যত তেওঁৰ উজ্জ্বল ভৱিষ্যৎ কামনা কৰিলোঁ।

মৃণালী ডাগুৰ
৭

বিভাগীয় প্ৰধান
অসমীয়া বিভাগ,
নন্দনাথ শইকীয়া মহাবিদ্যালয়,
তিতাবৰ।

Head
Department of Assamess
Nanda Nath Saikia College
Titabar

# অসমীয়া বিভাগ
# নন্দনাথ শইকীয়া মহাবিদ্যালয়, তিতাবৰ
# স্থাপিত ঃ ১৯৫৯
# প্ৰমাণ-পত্ৰ

তাং ঃ ০৮-০৭-২০২২

শ্ৰী/শ্ৰীমতী মানসী কছাৰী স্নাতক কলা শাখাৰ ষষ্ঠ ষান্মাসিকৰ (ৰোল নং -30810112), ছাত্ৰ/ছাত্ৰী। তেওঁ মোৰ তত্ত্বাৱধানত DSE-3(H) পাঠ্যক্ৰমৰ অন্তৰ্গত প্ৰকল্প কাকতৰ বাবে “অসমৰ ঠেঙ্গাল কছাৰী জনগোষ্ঠীৰ লোকগীত” বিষয়ত গৱেষণা কাৰ্য সম্পন্ন কৰি প্ৰকল্পটিৰ এটি প্ৰতিবেদন প্ৰস্তুত কৰিছে। তেওঁ সম্পূৰ্ণ নিজা অধ্যয়নৰ জৰিয়তে এই প্ৰতিবেদন দাখিল কৰিছে।

গৱেষণা কাৰ্যত তেওঁৰ উজ্জ্বল ভৱিষ্যত কামনা কৰিলোঁ।

ত্ৰিপ্তা ৰাণী ৰাভা

তত্ত্বাৱধায়ক

অসমীয়া বিভাগ

নন্দনাথ শইকীয়া মহাবিদ্যালয়, তিতাবৰ।

Department of Assamese
Date ............
Nanda Nath Saikia College

# কৃতজ্ঞতা জ্ঞাপন

"অসমৰ ঠেঙ্গাল কছাৰী জনগোষ্ঠীৰ লোকগীত" নামৰ শীৰ্ষক আমাৰ গৱেষণা গ্ৰন্থখনত অসমত সিচঁৰিত হৈ থকা ঠেঙ্গাল কছাৰী জনগোষ্ঠীৰ লোকগীতৰ ওপৰত আলোকপাত কৰা হৈছে। এই বিষয়টো ড° স্নিগ্ধা ৰাণী ৰাভা বাইদেউৰ তত্বাৱধানত গৱেষণা কৰিবলৈ প্ৰয়াস কৰা হৈছে।

বিষয়বস্তু নিৰ্বাচনৰ পৰা গৱেষণা কাৰ্য চূড়ান্ত ৰূপ দিয়লৈকে আৰু এই দিশত হোৱা বিভিন্ন সমস্যাসমূহৰ সমাধানত স্নিগ্ধা ৰাণী বাইদেউ সম্পূৰ্ণ সহযোগিতা আগবঢ়ালে। তেখেতৰ ব্যস্ততাপূৰ্ণ জীৱনৰ মাজতো আগবঢ়োৱা সুচিন্তিত পৰামৰ্শ তথা প্ৰেৰণাই আমাক কৃতাৰ্থ কৰিছে। তেখেতৰ প্ৰতি আন্তৰিক শ্ৰম আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

তিতাবৰ নন্দনাথ মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ ড° যোগেশ্বৰ বড়া ছাৰৰ সহায় তথা দিহা-পৰামৰ্শই এই গৱেষণা কাৰ্যত যথেষ্ট অৰিহণা যোগালে। তেখেতৰ ওচৰত আমি বিশেষভাৱে কৃতজ্ঞ।

গৱেষণা কাৰ্যত আৰম্ভণিৰ পৰা ক্ষেত্ৰ অধ্যয়নৰ বাবে বিভিন্ন ঠাইলৈ যোৱা, আৰ্হি কাকত চোৱা, প্ৰসংগ পুথি সংগ্ৰহ কৰি দিয়া, পদে পদে সহায়-সহযোগিতা আৰু প্ৰেৰণা আগবঢ়োৱা মোৰ বান্ধৱী মণিকা বড়া, সুস্মিতা বড়া, শিৱানী শইকীয়া, মিতালী দত্তৰ অবিহনে এই গৱেষণা কাৰ্য সম্পূৰ্ণ নহ'লহেঁতেন। তেওঁলোকলৈ প্ৰতি স্নেহ তথা কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

মানসী কছাৰী

# সূচীপত্ৰ


| অধ্যায় | বিষয় | | পৃষ্ঠা |
|---|---|---|---|
| | কৃতজ্ঞতা জ্ঞাপন | | |
| | তত্ত্বাৱধায়কৰ প্ৰমাণ পত্ৰ | | |
| | বিভাগীয় প্ৰধানৰ প্ৰমাণ পত্ৰ | | |
| | অৱতৰণিকা | | |
| প্ৰথম অধ্যায় | | | |
| | ১.০০ ঠেঙ্গাল কছাৰী জনগোষ্ঠীৰ পৰিচয় আৰু ইতিহাস | ঃ | ১-৪ |
| দ্বিতীয় অধ্যায় | | | |
| | ২.০০ ঠেঙ্গাল কছাৰী জনগোষ্ঠীৰ লোকগীত | ঃ | ৫-২১ |
| | ২.০১ অনুষ্ঠানমূলক লোকগীত | ঃ | ৫ |
| | ২.০২ আখ্যানমূলক লোকগীত | ঃ | ১৭ |
| | ২.০৩ বিবিধ বিষয়ক লোকগীত | ঃ | ১৮ |
| | সিদ্ধান্ত | ঃ | ২২ |
| | উপসংহাৰ | ঃ | ২৩ |
| | প্ৰসঙ্গসূচী | ঃ | ২৪ |
| | গ্ৰন্থপঞ্জী | ঃ | ২৫ |
| | তথ্যদাতাৰ তালিকা | ঃ | ২৬ |

## ০.০০ অৱতাৰণিকা ঃ

### ০.০১ বিষয়ৰ পৰিচয় আৰু পৰিসৰ ঃ

অসমত মঙ্গোলীয় গোষ্ঠীসম্ভূত বাৰেবৰণীয়া জনজাতি লোক অতি প্ৰাচীন কালৰে পৰা বসবাস কৰি আহিছে। নিজ নিজ বৈশিষ্ট্যমণ্ডিত এই জনগোষ্ঠীসমূহে অসম নামৰ ভূ-খণ্ডৰ জাতীয় জীৱনলৈ বহুৰঙী বৰঙণি আগবঢ়াই আহিছে। অসমীয়া সমাজ সংস্কৃতিৰ সমাহৰণ প্ৰক্ৰিয়াত বৰঙণি যোগোৱা ভিন্ন ভিন্ন জনগোষ্ঠীসমূহৰ ভিতৰত কছাৰী জনগোষ্ঠীৰ লোকসকলো অন্যতম। বিভিন্ন কাৰণত এই কছাৰী মূলৰ পৰা ফালৰি কাটি আহি অসম উপত্যকাৰ ঠায়ে ঠায়ে ঠেঙ্গাল কছাৰীসকলে বসবাস কৰিবলৈ লয় আৰু উজনি অসমৰ বিভিন্ন ঠাইত তেওঁলোক সিচঁৰিত হৈ পৰে। এই ঠেঙ্গাল জনগোষ্ঠীৰ লোকসকলৰ লোকগীত লোক পৰম্পৰাৰে সমৃদ্ধ। গতিকে 'অসমৰ ঠেঙ্গাল কছাৰী জনগোষ্ঠীৰ লোকগীত' এই শীৰ্ষক বিষয়বস্তুৰ ওপৰত গুৰুত্ব আৰোপ কৰি ঠেঙ্গাল জনগোষ্ঠীৰ লোকগীতৰ বিষয়ে এই গৱেষণা পত্ৰখন আলোচনা কৰিবলৈ চেষ্টা কৰা হৈছে।

অসমত ঠেঙ্গাল কছাৰী জনগোষ্ঠীসকলৰ লোকগীতৰ অনুষ্ঠানমূলক গীত, আখ্যানমূলক আৰু বিবিধ বিষয়ৰ বিষয়ে আলোচনা কৰাৰ লগতে তেওঁলোকৰ সংস্কৃতিক জীৱনৰ বিষয়ে আলোচনা কৰা হৈছে।

### ০.০২ লক্ষ্য আৰু উদ্দেশ্য ঃ

অসমৰ ঠেঙ্গাল কছাৰী জনগোষ্ঠীৰ গৱেষণা গুৱাহাটী আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অধীনত বহুকেইজন গৱেষকে পি.এইচ.ডি ডিগ্ৰীৰ গৱেষণা গ্ৰন্থৰ কাম সম্পূৰ্ণ কৰিছে। কিন্তু জনগোষ্ঠী হিচাপে তেওঁলোকৰ লোকগীতসমূহৰ বিষয়ে বিতংকৈ আলোচনা হোৱা নাই। দুই এগৰাকী ব্যক্তিৰ প্ৰচেষ্টাত এই লোকগীতৰ সম্পৰ্কে ভিন্ন সময়ত বাতৰি কাকত, আলোচনী আদিত আলোচনা কৰা হৈছে। বৰ্তমান সময়ত হেৰাই যাবলৈ ধৰা লোকগীতসমূহ এই অধ্যয়নৰ যোগেদি আলোচনা কৰা হৈছে। হেৰাই যাব খোজ লোকগীতসমূহ নৱপ্ৰজন্ম আগত তুলি ধৰিবৰ বাবে এই ঠেঙ্গাল কছাৰী লোকগীতৰ বিষয়ে পাতনি মেলা হৈছে।

### ০.০৩ গৱেষণা ক্ষেত্ৰ ঃ

অসমৰ বিভিন্ন ঠাই, বিশেষকৈ উজনি অসমৰ যোৰহাট জিলা তিতাবৰক কেন্দ্ৰ কৰি এটা বিস্তৃত অঞ্চল, গোলাঘাট জিলাৰ ধনশিৰি পাৰৰ ভূ-খণ্ড, সৰুপথাৰ, বৰপথাৰ, মেৰাপানী, কাছমাৰী জিলাৰ বিহপুৰীয়া, কাৰ্বি আংলং জিলাত এই সম্প্ৰদায়ৰ লোকসকলৰ বসতি দেখিবলৈ পোৱা যায়। গৱেষণা কৰ্মত আগবাঢ়িবলৈ গৈ যোৰহাট জিলাৰ তিতাবৰ অঞ্চলটো গৱেষণাৰ ক্ষেত্ৰ ৰূপে লোৱা হৈছে।

### ০.০৪ গৱেষণাৰ পদ্ধতি ঃ

গৱেষণাৰ পত্ৰখনিত ঐতিহাসিক আৰু বৰ্ণনাত্মক পদ্ধতি গ্ৰহণ কৰা হৈছে। গৱেষণাৰ ক্ষেত্ৰত আটাইতকৈ গুৰুত্ব আৰোপ কৰা হৈছে ক্ষেত্ৰ অধ্যয়নৰ ওপৰত। কিন্তু আমাৰ এই গৱেষণা কাৰ্যত সকলো অঞ্চলৰ সকলো লোককে সামৰি ল'ব পৰা নহ'ল। সমাজ সংস্কৃতিৰ জ্ঞান থকা বিজ্ঞ লোককো লগ ধৰি তথ্য সংগ্ৰহ কৰাৰ চেষ্টা কৰা হৈছে আৰু এই তথ্য গৱেষণাৰ সমল হিচাপে গ্ৰহণ কৰা হৈছে।

যিহেতু ঠেঙ্গালসকলৰ বিষয়ে বিস্তৃত আলোচনা পাবলৈ নাই গতিকে তথ্যদাতা আৰু তথ্যদাত্ৰীৰ যোগেদি লাভ কৰা তথ্যসমূহৰ জৰিয়তে গৱেষণা পত্ৰ প্ৰস্তুত কৰা হৈছে।

০.০৫ পূৰ্বকৃত অধ্যয়নৰ সমীক্ষা ঃ

ঠেঙ্গাল কছাৰী লোকগীত সম্পৰ্কীয় গৱেষণালব্ধ অধ্যয়ন বৰ্তমানলৈকে যথেষ্ট কম। সাহিত্যৰূপে জনগোষ্ঠীটোৰ পৰিচয়মূলক অধ্যয়ন "অসমৰ ঠেঙ্গাল কছাৰীৰ ইতিবৃত্ত"- শীৰ্ষক নন্দ বৰাৰ দ্বাৰা ৰচিত গ্ৰন্থখনহে পোৱা যায়। পূৰ্বত বহুজনে বহুধৰণে বিভিন্ন গ্ৰন্থৰাজিত আৰু গৱেষণা পত্ৰত এই বিষয়টো থূলমূলকৈ আলোচনা কৰিছে। ইতিমধ্যে এই বিষয়ত গুৱাহাটী আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ত এই বিষয়ত গৱেষণা সমাপ্ত কৰিছে। তেওঁলোক হৈছে- কৈলাশ দত্ত, বৰ্ণালী চেতিয়া, বৰ্ণালী শইকীয়া, জ্যোতিকা বৰা, বিনীতা দাস, মুনমী গগৈ আদি।

**প্ৰথম অধ্যায় ঃ**

১.০০ ঠেঙ্গাল কছাৰী জনগোষ্ঠীৰ পৰিচয় আৰু ইতিহাস

ঠেঙ্গাল কছাৰী লোকসকল অসমীয়া জাতিৰ অন্যতম অংগ। মঙ্গোলীয় প্ৰজাতিৰ পৰা উদ্ভৱ হোৱা বড়ো গোষ্ঠীৰ অন্যতম সম্প্ৰদায় কছাৰীসকল বিখ্যাত এক জনগোষ্ঠী। প্ৰাচীন কালত কছাৰীসকলক কিৰাত বুলি অভিহিত কৰিছিল। নৃত্যত্ত্ববিদসকলে এই কিৰাতসকলক মঙ্গোলীয় বা মঙ্গোলয়ত বুলিছিল। এই কিৰাতসকল সাধাৰণতে ডাঙৰ নদী বা পৰ্বতৰ দাঁতি-কাষৰীয়া ঠাইত বসবাস কৰাৰ কাৰণে সংস্কৃত ভাষাত তেওঁলোকক কক্ষৱাট বোলে। কক্ষৱাটৰ পৰা কক্ষত > কচ্ছৰ লগত অৰি যোগ হৈ কচ্ছ + অৰি-কছাৰী নামৰ উৎপত্তি হয়।[১]

কিংবদন্তী মতে,

১৫২৬ চনত আহোম আৰু কছাৰীৰ ধনশিৰিৰ পাৰত কেইবাঠাইত দুয়োপাৰে তয়াময়া ৰণ হয়। এই ৰণৰ সময়তেই জংবাহাদুৰ আৰু চক্ৰধ্বজ নামৰ ধনুবিদ্যা আৰু যাদুবিদ্যাত পাকৈত দুজন শক্তিমন্ত সাহসী যুৱকে দৈয়াং নৈৰ পাৰৰ কাছমাৰীত কিছুমান কছাৰী পৰিয়াল লগত লৈ এখন স্বাধীন কছাৰী ৰাজ্য প্ৰতিষ্ঠা কৰি জংবাহাদুৰ সেই ৰাজ্যৰ ৰজা হৈছিল। তেওঁৰ সৈন্য সামন্ত বিলাকে ঠেঙ্গা (Pantaloon) পিন্ধি যুদ্ধ কৰিছিল, আনকি যুদ্ধৰ বাদেও শান্তিৰ পৰিৱেশতো এই সৈন্যসকলে ঠেঙ্গা পিন্ধিয়েই ঘূৰি ফুৰিছিল। সেইবাবে তেওঁলোকক ঠেঙ্গাল কছাৰী বুলিছিল।[২]

ঠেঙ্গালসকল কাছমাৰী আৰু দৈয়াং উপত্যকাৰ অধিবাসী। কাছমাৰী অঞ্চলত ৰাজধানী স্থাপন কৰি ৰাজ্য শাসন কৰা সময়ৰ পৰা শদিয়াল আৰু হেড়ম্বিয়াল কছাৰীৰ মাজত হেড়ম্বিয়ালসকলে 'ঠেঙ্গাল কছাৰী' নামেৰে পৰিচয় দিবলৈ সক্ষম হয়।[৩]

"ত্ৰয়োদশ শতিকাত ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰে দিখৌৰ পৰা কলঙলৈকে ধনশিৰি উপত্যকালৈ উত্তৰ কাছাৰ জিলা পৰ্যন্ত যিসকল কছাৰী পোৱা যায় সেইসকলক তিনিটা ভাগত ভাগ কৰিব পাৰি–

১। ডিমাছা কছাৰী

২। বৰ্মন কছাৰী

৩। ঠেঙ্গাল কছাৰী

ডিমাছা কছাৰীসকলে নিজকে হিড়িম্বাৰ বংশধৰ বুলি কয়। বৰ্মনসকলে নিজকে ভীমৰ বংশধৰ বুলি ভাৱে আৰু ঠেঙ্গালী কছাৰীসকলে নিজকে ভীমৰ পুত্ৰ ঘটোৎকচৰ বংশধৰ বুলি বিশ্বাস কৰে। ডিমাছা, বৰ্মন আৰু ঠেঙ্গাল কছাৰীসকলে নিজকে একেটা পৰিয়ালৰ-ক্ৰমে হিড়িম্বা, ভীম আৰু ঘটোৎকচৰ বংশধৰ বুলি কৰা বিশ্বাসে তেওঁলোকৰ যে একেটা মূলৰ পৰা জন্ম তাকেই প্ৰমাণ কৰে।[৪]

গতিকে দেখা গ'ল যে, "ত্ৰয়োদশ শতিকাত ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰে দিখৌৰ পৰা কলঙলৈকে আনকি দিখৌৰ পূব আৰু কাছাৰৰ কিছু অংশলৈকে ৰাজ্য বিস্তাৰ কৰি থকা ধনশিৰি উপত্যকাৰ শক্তিশালী কছাৰী গোষ্ঠীটোৰ এটা ফৈদ ডিমাছা, এটা ফৈদ বৰ্মন আৰু ডিমাপুৰৰ পৰা ঘূৰি আহি কাছমাৰীত কছাৰী ৰাজ্য প্ৰতিষ্ঠা কৰা ফৈদটো ঠেঙ্গাল কছাৰী নামেৰে জনাজাত হ'ল। ঠেঙ্গাল কছাৰীৰ ৰাজ্য যে যেথেষ্ট উন্নত আৰু পৰিকল্পিত আছিল কাছমাৰীৰ পুৰণি কীৰ্তিস্তম্ভই তাৰে ইংগিত দিয়ে।[৫]

"ৰেভাৰেণ্ড ছিদনী এণ্ডেলে ব্ৰহ্মপুত্ৰ নদীক বিভাজনকাৰী হিচাপে লৈ কছাৰীসকলক দুটা ভাগত ভাগ কৰিছে-


(ক) উত্তৰ গোষ্ঠী

(খ) দক্ষিণ গোষ্ঠী[৬]

এগুলৰ গ্ৰন্থৰ আধাৰত পণ্ডিতসকলে অনুমান কৰা অনুসৰি কছাৰীৰ অৱস্থান তলত দিয়া ধৰণৰঃ


তালিকা -(১)

মঙ্গোলীয় (কৰাত)




ঠেঙ্গাল জনগোষ্ঠী সম্পৰ্কে নৃতত্ত্ববিদ ড° ভুবন মোহন দাসে তাৎপৰ্যপূৰ্ণ মন্তব্য আগবঢ়াইছে। অধ্যাপক দাসদেৰক মতে ঠেঙ্গালসকলৰ অৱস্থান এনে ধৰণৰ–

তালিকা - (২)




প্ৰবাদ অনুসৰি, কছাৰীসকলৰ এটা ফৈদ কুকুৰা ঠেঙেৰে মাটিত মঙ্গল কোৰা কাৰণে এই ফৈদটোক ‘ঠেঙ্গাল কছাৰী’ বোলে আৰু আন এটা প্ৰবাদ মতে, যুদ্ধলৈ যোৱা সৈনিক কছাৰীসকলে একোটা কুকুৰা ঠেঙৰ আৰ্হিত আল বান্ধি যুদ্ধলৈ গৈছিল। তাৰ পৰাই ঠেঙ্গাল শব্দৰ উৎপত্তি বুলি হয়।

ঐতিহাসিক তথ্যপাতিৰ আধাৰত আৰু তেওঁলোকৰ আদিম প্ৰব্ৰজন আৰু বসতি বিস্তাৰৰ ক্ষেত্ৰত দেখা যায় যোৰহাট জিলাৰ দক্ষিণৰ নগা পাহাৰৰ এটা বৃহৎ অঞ্চল ঠেঙ্গাল কছাৰী জনগোষ্ঠীৰ লোকেৰে

ভৰি আছে আৰু যোৰহাটৰ দক্ষিণত 'ঠেঙ্গাল মৌজা' নামৰ এটা বনবসতিপূৰ্ণ এলেকা আছে। উজনি অসমৰ শদিয়াৰ পৰা দৈয়াং ধনশিৰি উপত্যকা সামৰি নগাঁও পৰ্যন্ত কম-বেছি পৰিমাণে ঠেঙ্গালসকল বিস্তৃত হৈ আছে। মুখ্যৰঃ ঠেঙ্গাল কছাৰী লোকসকল যোৰহাটৰ তিতাবৰ মহকুমাৰ, গোলাঘাট, শিৱসাগৰ, ডিব্ৰুগড়, লখিমপুৰ, কাৰ্বি আংলং জিলাৰ উপৰিও তেজপুৰ, শোণিতপুৰ, ধেমাজি আদি ঠাইত ঠেঙ্গালৰ দুই এখন গাঁও বা পৰিয়াল সিচঁৰিত হৈ আছে।

একাধিক ব্যক্তিৰ সাংগঠনিক সামাজিক সমাজ বোলা হয়। ঠেঙ্গাল কছাৰী জনগোষ্ঠীৰ সমাজ সু-সংগঠিত আৰু সু-শৃংখলিত স্বকীয় পৰম্পৰাৰ ভেটিত তেওঁলোকৰ সমাজ পৰিচালিত হয়। তেওঁলোকৰ অতি শান্তিপ্ৰিয়। পুৰুষ প্ৰধান হ'লেও ঠেঙ্গাল কছাৰীসকলৰ সমাজত নাৰীয়েও পূৰ্ণ স্বাধীনতা পায়। সাধাৰণতে পুৰুষ-নাৰীৰ সহযোগতহে প্ৰতিটো সামাজিক কাম সমাধা বা সমাপন হয়।

ঠেঙ্গাল কছাৰীসকলৰ জীৱন নিৰ্বাহ প্ৰণালী একেবাৰে সাধাৰণ আৰু জনজাতীয় পৰম্পৰাগত । ঠেঙ্গাল কছাৰীসকলে সামূহিক জীৱন ভাল পায় তেওঁলোকে অকশৰীয়াকৈ ঘৰ নাসাজে। প্ৰতিঘৰ মানুহে কেঁচাকৈ হ'লেও বাঁহ, কাঠ, বেতেৰে আটোমটোকাৰিকৈ ঘৰ সাজি লয়। তেওঁলোকৰ জীৱন নিৰ্বাহৰ প্ৰধান সম্বল হ'ল ধানখেতি, কৃষি কৰ্মৰ ওপৰত নিৰ্ভৰশীল ঠেঙ্গালসকলে আহু আৰু শালি দুয়োবিধ খেতি কৰে। তেওঁলোকে জীৱ-জন্তু পোহপাল দিও উপাৰ্জন কৰে। বাৰীৰ বাঁহ কেইজোপা ঠেঙ্গালসকলৰ অন্যতম সম্বল। বাৰীৰ বাঁহ ৰোৱা তেওঁলোকৰ জাতিগত বৈশিষ্ট্য। কেতিয়াবা আৰ্থিক অভাৱত বাঁহ বিক্ৰী কৰাৰ উপৰিও তেওঁলোকে ঘৰ-দুৱাৰ, পাচি, খৰাহি, ডলা, চালনি আদি যাৱতীয় সামগ্ৰী তৈয়াৰ কৰে।

সমাজ পাতি মানুহে বসবাস কৰিবলৈ লোৱাৰ পৰা বিভিন্ন উপলক্ষত নিৰ্ধাৰিত সময় কিছুমান সহজাত আচৰণ সৃষ্টি কৰিলে। ফলত গঢ় ল'লে লোকাচাৰ, কৃষ্টি আৰু সংস্কৃতি। "বিভিন্ন পৰিস্থিতিত সেই সমাজৰ ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ, বিশ্বাস-অবিশ্বাস, ধৰ্ম-অধৰ্ম, পৰম্পৰা আদি প্ৰবৃত্তিগতভাৱে শিকে। ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ পৰম্পৰা আদিৰ সামগ্ৰিক ৰূপক সংস্কৃতি বুলিব পাৰি।[৮] অসমীয়া তথা ভাৰতৰ বিভিন্ন প্ৰাদেশিক ভাষাত ইংৰাজী Culture পদৰ সমাৰ্থক ৰূপে সংস্কৃতি পদটো ব্যৱহাৰ কৰা দেখা যায় আৰু "সমগ্ৰ জীৱনচাৰ্যৰ মাধ্যমেৰে সংস্কৃতিৰ পূৰ্ণ বিকাশ ঘটা জীৱনৰ বিভিন্ন কৃতিয়েই সংস্কৃতি"।

সংস্কৃতি হ'ল, Culture is the intergrated Paltoon of human knowledge, belife and behavious.[৯]

অসমত বসবাস কৰা ঠেঙ্গাল কছাৰী জনগোষ্ঠীটো মাজত বাৰেবৰণীয়া সংস্কৃতিৰ স্বৰূপ দেখিবলৈ পোৱা যায়। বৈচিত্ৰপূৰ্ণ সাংস্কৃতিক জীৱনত দেখিবলৈ পোৱা নানা কৰ্মৰাজিতে সংস্কৃতিৰ বিভিন্ন উপাদানসমূহ সোমাই আছে। আদিম অৱস্থাৰ পৰা বৰ্তমান উন্নত অৱস্থালৈ আহোঁতে সমাজত অনেক সংস্কৃতি পৰম্পৰা ৰক্ষিত হৈছে। সাংস্কৃতিক ক্ষেত্ৰত সোমাই থকা সমাজৰ বিভিন্ন কাৰ্য বা অকাৰ্যৰ মাজত সংস্কৃতিৰ সমলবোৰে ঠেঙ্গাল কছাৰী জনগোষ্ঠীটোৰ সংস্কৃতিক জীৱন যাত্ৰা অব্যাহত ৰাখিছে। ঠেঙ্গাল কছাৰী জনগোষ্ঠীটোৰে সমাজ জীৱনৰ কোঁহে কোঁহে জড়িত থকা বিভিন্ন আচাৰ-অনুষ্ঠান, পূজা-পাতল আদি সাৰটি ৰাখি সংস্কৃতি ঐতিহ্য তথা বৈচিত্ৰ্যৰে তেওঁলোকৰ সংস্কৃতি ঐতিহ্যমণ্ডিত কৰি ৰাখিছে। অসমীয়া সংস্কৃতিলৈ সমন্বয়ৰ বাৰ্তা কঢ়িয়াই অনা ঠেঙ্গালসকলে স্বকীয় পৰম্পৰাৰ প্ৰচাৰ

আৰু প্ৰসাৰৰ বাবেও সদা সচেতন। কোনো এটা জাতি-জনগোষ্ঠীৰ মানুহে কৰা আচৰণ আৰু কৰ্মৰ মাজতে লোক-সাংস্কৃতিক বৈশিষ্ট্য নিৰূপণ কৰিব পাৰি। লোক সংস্কৃতিক বৈশিষ্ট্য নিৰূপণৰ বাবে লোক জীৱনৰ অধ্যয়নৰ প্ৰয়োজন। লোকসংস্কৃতি অধ্যয়ন কৰিবলৈ সুবিধাৰ বাবে নবীনচন্দ্ৰ শৰ্মাই কৰা লোকজীৱনৰ ভাগকেইটা এনেধৰণৰ-

১। মৌখিক লোকবিদ্যা (Oral Folklore)ঃ

(ক) লোক কাহিনী

(খ) বৰ্ণনাত্মক বা কাহিনীযুক্ত লোক-কবিতা

(গ) লোকমহাকাব্য

(ঘ) লোকোক্তি

(ঙ) সাঁথৰ বা দিষ্টান

(চ) লোকভাষা

২। সামাজিক লোকপ্ৰথা বা লোকাচাৰ (Social Folk Custom)

(ক) উৎসৱ অনুষ্ঠান

(খ) অৱসৰ বিনোদন আৰু খেল-ধেমালি

(গ) লোক ঔষধ

(ঘ) লোক ধৰ্ম

৩। ভৌতিক সংস্কৃতি (Maleral Culture)

(ক) লোক শিল্প

(খ) লোক কলা

(গ) লোক স্থাপত্যবিদ্যা

(ঘ) লোক আভৰণ

(ঙ) লোকৰন্ধন প্ৰণালী

৪। লোক পৰিৱেশ্য কলা (Folk Performing art)

(ক) লোক নাট্য

(খ) লোক সংগীত

(গ) লোকনৃত্য

## দ্বিতীয় অধ্যায়

### ২.০০ ঠেঙ্গাল কছাৰী জনগোষ্ঠীৰ লোকগীত ঃ

লোকসংস্কৃতিৰ এটা অন্যতম ভাগ হৈছে- মৌখিক সাহিত্য বা মৌখিক লোকবিদ্যা। যুগ যুগ ধৰি মানুহৰ মুখে মুখে প্ৰাচীন কালৰে পৰাই এটা পুৰুষৰ পৰা আন এক পুৰুষলৈ বাগৰি অহা কিছুমান গীত-মাত, কথা-বতাক আমি লোক সাহিত্য বুলি ক'ব পাৰোঁ। পৃথিৱীৰ প্ৰতিটো জাতিৰে পৰম্পৰাগত মৌখিক সাহিত্যক বিভিন্ন জনগোষ্ঠীয় লোক সাহিত্যই সমৃদ্ধ কৰি ৰাখিছে। অসমীয়া জাতি এটা অন্য অংগৰূপে ঠেঙ্গাল কছাৰী জনগোষ্ঠীৰ মাজতো মৌখিক সাহিত্যত চহকী ৰূপ প্ৰবাহমান হৈছে। লোকসাহিত্য বা মৌখিক সাহিত্যৰ ভিতৰত লোকগীতে এক বিশেষ স্থান অধিকাৰ কৰি আহিছে। ইংৰাজী Folk song অৰ প্ৰতিশব্দৰূপে অসমীয়াত ব্যৱহৃত লোকগীত অসমীয়া কৃষিজীৱী, গঞালোকৰ কৰ্মমুখী জীৱনৰ প্ৰতিফলকৰূপে প্ৰচলন হৈ আছে। লোকগীতত বিভিন্ন মুখ-দুখ, হৰ্ষ-বিষাদ, আশা-নিৰাশা, প্ৰেম-ঘৃণা, প্ৰচলিত নানান লোকাচাৰ, সাংস্কৃতিক ঐতিহ্য আদিৰ প্ৰকাশক। লোকগীত তিনিটা শ্ৰেণী বিভাগত আলোচনা কৰিব পাৰি। সেইকেইটা হৈছে-

(ক) অনুষ্ঠামূলক

(খ) আখ্যানমূলক

(গ) বিবিধ বিষয়ক

### ২.০১ অনুষ্ঠানমূলক লোকগীত ঃ

ঠেঙ্গাল কছাৰী লোকসকলৰ পৰম্পৰাগত সামাজিক লোকাচাৰ উৎসৱ অনুষ্ঠানত নাৰীৰ সক্ৰিয় অংগ গ্ৰহণ দেখা যায়। ঠেঙ্গাল নাৰীসকলে সম্পূৰ্ণ স্বকীয়ভাৱে বিভিন্ন লোকাচাৰ বা ক্ৰিয়া কাণ্ড পালন কৰে সেই লোকাচাৰৰ লগত সংগতি ৰাখি অনেক গীত-মাত পৰিৱেশন কৰা হয়। সেইবোৰক অনুষ্ঠানমূলক লোকগীত বোলে। ঠেঙ্গাল নাৰীসকলে বিভিন্ন ধৰ্মীয় ৰীতি-নীতিৰ উপৰিও উৎসৱ-পাৰ্বণতো পৰম্পৰাভাৱে গীত-মাত গাই আনন্দ কৰে।

**পানীতোলা সবাহৰ নাম ঃ**

ঠেঙ্গাল কছাৰী নাৰী সমাজৰ অন্যতম ধৰ্মীয় পৰম্পৰা পানীতোলা সবাহ। নামঘৰত পানীতোলা সবাহত পৰিৱেশন কৰা নামসমূহ ভক্তি পৰায়ণ মনোভৰ প্ৰকাশক। এই নামঘৰত পানীতোলা সবাহত তিনিজনী পুষ্পিতা ছোৱালী। যাক ঠেঙ্গাল কছাৰীসকলে 'দৰকী' বুলি কয় তেওঁলোকক লগত লৈ যোৱা হয়। পানী তুলিবলৈ যোৱাৰ পৰা ঘূৰি অহালৈকে গোপিনীসকলে নাম গাই থাকে। পানীতোলা সবাহৰ নামক 'পানী তুলিবলৈ যোৱা', ঘাটত পানী তোলা', 'পানী তুলি ঘূৰি অহা', 'নামঘৰৰ চাৰিখুটাত পানী চলা' 'নামঘৰত সোমোৱা', 'বিসৰ্জন' আদি বিভিন্নধৰণে লক্ষ্য কৰিব পাৰি। পানীতোলা সবাহৰ নাম সমূহ ঠেঙ্গাল নাৰীসকলে পানী তুলিবলৈ যাওঁতে পৰিৱেশন কৰা গীততে ইয়াৰ প্ৰকাশ ঘটিছে–

প্ৰথমে উৰুলি মাজে হৰিধ্বনি
আমি পানী তুলো কৃষ্ণ কৃষ্ণ বুলি
ওলাল জাকিমাৰি ওলাইছে গোপিনী
ওলাল জাকিমাৰি তৰা এ-

উৰুলি আৰু হৰিধ্বনিৰে তেওঁলোকে অঞ্চলটোৰ মঙ্গল কামনা কৰে। গীতৰ মাত

গোপিনীসকলক দৈৱকীৰ সৈতে তুলনা কৰি শ্ৰীকৃষ্ণৰ প্ৰতি আসক্তি প্ৰকাশ কৰাও দেখা যায়–

কাষতে কলচী লৈ থোৱা দৈৱকী
লৈ থোৱা আঁচলে ঢাকি এ,
ৰিণিকি ৰিণিকি দেখিছো যমুনা
বৈ আছে কদমৰ তলে এ,....

পানীতোলা নামত তেওঁলোকে হৰিভক্তিত গদ্‌গদ্ হৈ তেওঁলোকে ভগৱানৰ অস্তিত্ব উপলব্ধি কৰিছে। সেয়ে অতি বিনয়ীভাৱে পানী তুলিবৰ বাবে পানী তুলিবৰ বাবে অনুমতি বিচাৰে এনেদৰে–

কদমৰ তলতে কানাই বহি আছে
দিয়ে কি নিদিয়ে জল এ,
তুতিকৈ মাতিছো মিনতি কৰিছোঁ
জলে এৰি দিয়া তুমি এ,......

অসমীয়া সমাজ বিশ্বাসমতে জলদেৱতাৰ মহিমা অপাৰ। সেয়ে ভক্তিভাৱেহে ঘাটৰ পৰা পানী তুলিব পাৰে। এই গীতবোৰৰ মাজত পানী তোলাৰ নিৰ্দেশনাও দেখিবলৈ পোৱা যায়–

আগ প্ৰাণে আগ প্ৰাণে
পানীলৈ নামিবা,
সেৱা কৰি পানী কাটি
কলচী ভৰাবা।...

সাধাৰণতে কোনো মাংগলিক কৰ্মত তুলি আনোতে পাচলৈ ঘূৰি যোৱাৰ নিয়ম নাই। সেয়ে তেওঁলোক এইক্ষেত্ৰত অতি সাৱধান। গীতেৰে কলচী ধৰোতাক সোঁৱৰাই দিয়ে এনেদৰে-

জল ভৰি যশোদা পিছলৈ নাচাবা
সাগৰে আহিব ভাগি এ...
সাগৰো নাভাগে ভাগৰো নালাগে
নথয় গোপিনীকে ৰাখি এ।...

পানীতোলা সবাহক 'দৰকী' ছোৱালীক লৈ গোৱা গীতত পোৱা যায় এনেদৰে–

একে বৰণীয়া দৰকী ছোৱালী
একে বৰণীয়া পানী এ,
একে বৰণীয়া তিনিটি টেকেলী
তোলে দেৱতাৰ পানী এ।...

ঘাটৰ পৰা তুলি অনা পানী লৈ দৰকীসহ গোপিনীসকল নামঘৰৰ চাৰিওকাষে তিনিপাক ঘূৰে। ভক্তিৰে নামঘৰৰ বাহিৰৰ চাৰিভেটিত পানী ঢালে। ইয়াৰ দ্বাৰা নামঘৰ পৱিত্ৰ কৰি তোলা হয়। গীতত গোৱা হৈছে এনেদৰে–

নামঘৰৰ কাষে কাষে এ
মিঠাতেলৰ চাকি
দৈৱকীয়ে পানী ঢালে

তামৰে কলচি।...

পানীতোলা সবাহ অনুষ্ঠানৰ শেষত বছৰটোলৈ সকলো কলুষ-কালিমা আঁতৰি যাবলৈ গোপিনীসকলে নৈবদ্য বিসৰ্জন দিয়ে। শক্তিৰ সাধনা বা পূজা-অৰ্চনাৰ মাজেৰে পানীতোলা সবাহত তেওঁলোকে আইক সভক্তিৰে বিদায় জনায়।

কলমৌ পাতৰে সৰু নাৰেখনি অ'বীণ
ইকৰা পাতৰে বঠা অ' বীণ
আইক থৈ আহোঁগৈ দূৰত
ব'হাগতে আই সাগৰ পাৰ হৈছে
ভালকৈ মাৰিবা বঠা এ...

পানীতোলা সবাহৰ নামৰ মাজত ঠেঙ্গাল কছাৰীসকলৰ ধৰ্মীয় নীতি-নিয়ম, পৰম্পৰাই প্ৰকাশ লাভ কৰিছে। সাহিত্যিক দৃষ্টিভংগীৰ ফালৰ পৰাও পানীতোলা সবাহৰ নামৰ কাব্যিক অভিব্যঞ্জনা উল্লেখনীয়।

**আই সবাহৰ গীত বা আইনাম ঃ**

শক্তি সাধনা প্ৰকাশক আইসবাহ অসমীয়া জাতীয় জীৱনৰ বিষয়ে ধৰ্মীয় অনুষ্ঠান। বসন্ত ৰোগৰ নিৰাময়ৰ বাবে মহামায়াৰ ন-ভনীক সন্তুষ্টাৰ্থে আইনাম গাই প্ৰাৰ্থনা জনায়। আইনামত 'আই'ক আদৰণি, পিন্ধন-উৰণ, ফুৰন, ভোজন, গমন আদি কাৰ্যৰ বিৱৰণ পোৱা যায়।

আইক আদৰণি জনাই এনেদৰে গায়–

বাটো সাৰিলো পদূলি সাৰিলো
নঙলা মুখলৈ চাই।
আহক আহক বুলি বাট চাই আছিলোঁ
পালেহি ধৰমী আই।।
কৈলাশৰ পৰা আই নামি আহে
নতুন সাজে পাৰে পিন্ধি।...

আইৰ মহিমা অপাৰ। আইৰ অগমণত সকলো সচেতন হৈ পৰে। মনৰ ভয়-শংকাৰে গোপিনীসকলে সমাজ পাতি দয়াশীল আইৰ চৰণত সেৱা আগবঢ়ায়।

আই মোৰ গোপিনীসকলে
আই মোৰ লয় হৰি নামে,
আই মোৰ আয়ে কাণে পাতি শুনে
আই মোৰ দুখীয়া ভগা বৰ,
আই মোৰ দুৱাৰত নাই থৰ,
আই মোৰ সোমাইকে ধৰমী আই।...

গীতবোৰত আইৰ প্ৰতি থকা পৰম ভক্তি ফুটি উঠিছে এনেদৰে–

আই মোৰ মূৰৰ কেশ চিঙি,
আই মোৰ পাৰে মলচিলে,

আই মোৰ ভেলৌ পাৰি দিয়া সাকোঁ।...

আইসবাহৰ ৰীতি-নীতি জনগোষ্ঠী ভেদে পৃথক হোৱা দেখা যায়। ঠেঙ্গাল কছাৰীসকলে আইসবাহ কেঁচা আৰু পকা দুই ধৰণে পালন কৰে। কেঁচা আইসবাহৰ নৈবদ্য পকা আইসবাহতকৈ বেলেগ। কেঁচা আইসবাহত কেঁচা নৈবদ্য আগবঢ়োৱা হয়। সেয়ে ন-গৰাকী আইলৈ শৰাই পাতি গায়—

আই মোৰ সবাহৰ আগতে,
আই মোৰ গুৱা কটাই থৈছো,
আই মোৰ ওলাওঁতে সোমাওতে খাবা।
আই মোৰ আইৰে মাননি
আই মোৰ মাহে প্ৰসাদে
আই মোৰ গোপিনীৰ মাননি গুৱা।...

আইৰ পিন্ধন-উৰণৰ বৰ্ণনাৰ মাজত নাৰীৰ সৌন্দৰ্যচেতনা প্ৰকাশ পোৱা দেখা গৈছে—

আই ঐ চিৰি লুইততে
আই ঐ আমে গায়ে ধুলে
জগতৰ আই ঐ
লাহৰ চুলিটাৰি মেলি।
আই ঐ কেশকে মেলালে
জগতৰ আই ঐ
ওলোমাই বান্ধিলে বুলি।...

ঠেঙ্গাল কছাৰীসকলৰ মাজত আই ওলালে পকনি আৰু শুকনি দিয়াৰ নিয়ম প্ৰচলন আছে। পকনি আৰু শুকনি দিয়াৰ নিয়ম তেওঁলোকৰ অন্যতকৈ কিছু সুকীয়া। তাৰ প্ৰকাশ গীতত এনেদৰে ঘটিছে—

আই ঐ যোৱা মাছ পকনি
আই ঐ খৰিকা শুকনি
জগতৰ আই ঐ
সেই আই ভোজনতে বহে।...

আইক শান্ত কৰিবলৈ আম পাতেৰে পানী ছাটি মাৰি ৰোগীক ভগৱন্তীৰ নাম শুনায়—

আম পাতৰ ছাটি মাৰি
হৃদয় কৰে জুৰ
নেকান্দে নেকান্দে
আইৰে উদ্ধগতি ভগনিম কেনেকৈ
জানিম কেনেকৈ।

অনুষ্ঠানৰ শেষত নিয়মানুসৰি সবাহ ভাঙি ঘৰৰ পৰা নিলগত আইক বিসৰ্জন দিয়ে-

সবাহ ভাগিবলে হ'ল এ
আই ৰথে চলি গ'ল এ
লগোৱা পাচনি লোৱা ভাৰে বান্ধি

আই যায় ব'হাগৰ লাৰু এ।...

আইক বিসৰ্জন দিবলৈ যাওঁতে যাতে কোনো বাধাৰ সন্মুখীন হ'বলগীয়া নহয়, সেয়ে ঘৰ-দুৱাৰ-পদূলি মুকলি কৰি দিয়া হয়।

চোতালৰ দুৱৰী গুচা খৰে কৰি
গুচাই দে দুৱাৰৰ গজাল এ।
আইৰে ন-ভনী যাবলৈ ওলালে
হাতত ধৰাধৰি কৰি এ।...

**অপেশ্বৰী সবাহৰ গীত ঃ**

ঠেঙ্গাল কছাৰীসকলে পালন কৰা এটা ধৰ্মীয় পৰম্পৰা হ'ল অপেশ্বৰী সবাহ। ঘৰখনত একেৰাহে ৰোগ ব্যাধি হৈ থাকিলে, ছোৱালী পুষ্পিতা নহ'লে ইত্যাদি কাৰণত তেওঁলোকে এই অনুষ্ঠান পালন কৰে। ওপৰৰ দেৱ-দেৱতাৰ দোষ আঁতৰাবৰ বাবে পালন কৰা বাবে ঠেঙ্গালসকলে অপেশ্বৰী সবাহক উপসবাহ বা ওপৰ সবাহ বুলি কোৱা হয়। কথিতৰূপত 'আপেচৰী সবাহ' বুলি জনা যায়। অপেশ্বৰী সবাহৰ এটা গীত উল্লেখনীয়।

গুড়ি পৰুৱা হৈ মৰলখন পাতিলো
দেৱতাই আছিলে চাই এ।
তলে ধূলি মাটি তাতে পিঠা গুৰি
ওপৰে মৰলৰ ৰেখা এ[২]।...

ওচৰৰ দেৱতাৰ দৃষ্টিগোচৰ হোৱাকৈ দুপৰীয়া চোতালত তেওঁলোকে কেঁচা পিঠাগুৰিৰে মৰল সাজে। সাতঘৰ মৰলত সাতখন আগলি কলপাতত কেঁচা পিঠা, চেনি, গুৰ, এৰাঁ গাখীৰ, থুৰীয়া তামোল, কল আদি নৈবদ্য দেৱতালৈ আগবঢ়ায়। এই নৈবদ্য গ্ৰহণ কৰিবলৈ অপেশ্বৰীক প্ৰাৰ্থনা জনায়।

আই আপেচৰী[৩] স্তুতিকৈ মাতিছো
আহক আপেচৰী নামি এ।
সোণৰে জখলা ৰূপ হেতা মাৰি
নামি আহে আপেচৰী এ।...

তেওঁলোকে বিশ্বাস কৰে যে অপেশ্বৰী ওপৰত থাকে। সেই অপেশ্বৰীক ছাঁ গৰকাৰ বাবেই হয়তো মানুহৰ দোষ লাগিছে। সেয়ে অজানিতে কৰা দোষ মৰিষণৰ বাবে মিনতি জনায়।

ছাঁ জুৰেজনা সূৰুজো এজনা
লাগিল কোনজনাৰ ঘাটি এ।
ওপৰৰ দেৱতা দিব আশীৰ্বাদ
আপোনাক কৰিছোঁ মিনতি এ।...

দুপৰীয়াৰ পৰা বেলি লহিওৱালৈকে গোপিনীসকলে অপেশ্বৰী সন্তুষ্টাৰ্থে তুতি প্ৰাৰ্থনা কৰে।

চৰাই গ'ল চটিয়াই বেলি গ'ল ভটিয়াই
লওঁক অপেচৰী পূজা এ।
এদাৰ দুদাৰকৈ মাৰে চাৰিদাৰ

মাৰে সেওঁৰ মৰা এ।।...

টেঙাল জনগোষ্ঠীৰ লোক সাহিত্যলৈ অপেশ্বৰী সৰাহৰ গীত এক অমূল্য অৱদান।

**ধৰ্মনিৰপেক্ষ আনুষ্ঠানিক লোকগীত ঃ**

উৎসৱ-পাৰ্বণ অথবা ভক্তি নিৰপেক্ষ সামাজিক অনুষ্ঠানসমূহে কোনো এটা জাতি জনগোষ্ঠীৰ স্বতন্ত্ৰতা আৰু ঐতিহ্য প্ৰকাশ কৰে। টেঙাল কছাৰীসকলেও সাধাৰণ অন্যান্য অসমীয়াৰ দৰে জাতীয় উৎসৱ বিহু পালন কৰে। এনে উৎসৱ অনুষ্ঠানবোৰৰ লগতে সংগতি ৰাখি টেঙাল লোকসকলেও বিভিন্ন গীত-মাত পৰিৱেশন কৰা দেখা যায়। এনে গীতৰ ভিতৰত উল্লেখযোগ্য হ'ল- গীত, ভেকুলী বিয়া গীত, খোলাপুট্টী নাচৰ গীত, গুধিসবাহৰ নাম আদি।

**তৰাছিৰা বিহুগীত ঃ**

টেঙাল জনজাতিৰ সাংস্কৃতিক স্বকীয় বৈশিষ্ট্যসমূহৰ ভিতৰত এটা প্ৰধান জাতীয় বৈশিষ্ট্য হ'ল- "তৰাছিৰা বিহু," অসমৰ জাতীয় উৎসৱ ব'হাগ বা বঙালী বিহুৰ দৰেই টেঙালসকলৰ বাবে 'তৰাছিৰা বিহু'ও এটা পৰিপূৰ্ণ সাংস্কৃতিক উৎসৱ। চ'ত মাহ সোমোৱাৰ দুই-তিনিদিন মানৰ পাছৰে পৰা, গাঁৱৰ ডেকা-বুঢ়া কিম্বা চেমনীয়া ল'ৰাসকলে সুবিধা বুজি কেতিয়াবা অকলশৰীয়াকৈ অথবা কেতিয়াবা দলবদ্ধ হৈ তৰাণি, পিতনি, গেৰেকনি, দৈ বা বিলৰ পাৰত তৰা ছিৰে। তেওঁলোকৰ তৰা ছিৰাৰ মূল আৰু প্ৰধান লক্ষ্য হ'ল- মানুহে ব'হাগ বিহুত পৰিধান কৰিবলৈ বা নতুন বস্ত্ৰ এযোৰ গাত মেৰিয়াই যোগাৰ কৰাৰ দৰে ঘৰৰ পোহনীয়া গৰু-গাই, মানুহ আৰু ম'হ কেইটাৰ তৰাৰে তৈয়াৰী একোডালকৈ নতুন তৰা পঘা, গৰু বিহুৰ দিনাখন সৰসৰ উপহাৰ বুলি যাচিবলৈ যোগাৰ কৰা, অৰ্থাৎ পুৰণা পঘাৰ ঠাইত নতুন তৰা পঘাৰে সিহঁতক গৰু বিহু দিনা সন্ধ্যাৰ পৰা গোহালিত বান্ধিবলৈ তৰাগছ গজা থকা জলাশয়ৰ পৰা তৰা সংগ্ৰহ আৰু তৰা পঘা বটা। চ'ত মাহৰ দ্বিতীয় সপ্তাহৰ বুধবাৰৰ পৰা তৰা ছিৰা বিহু আৰম্ভ কৰা হয়। সেইদিনা গধূলি গৃহস্থৰ চোতালত তৰা চিৰা বিহুৰ হুঁচৰি আৰম্ভ কৰে। পৰিৱেশৰ লগত খাপ খোৱাকৈ তেওঁলোকে চোতালত ঘূৰি ঘূৰি হুঁচৰি গীত গাই–

তৰা ছিৰি গ'লো ৰংবাই ৰহিমলা
পঘা বাটি গ'লো ৰাংবাই ৰহিমলা
বুধে-বৃহস্পতি বিহু হে-ৰং বাই ৰহিমলা
ৰিচিপ চিপ জৰৌৰোৰা
তৰা ছিৰিবলৈ- ৰং বাই ৰহিমলা
পঘা বাটি গ'লো- ৰং বাই ৰহিমলা,
বছৰেকৰ মূৰতে আহিছো আমি;
ৰিচিপ চিপ জৰৌৰোৰা।

তেওঁলোকে আকৌ দীঘলীয়াকৈ যোজনা এটি ধৰি বিহু আৰম্ভ কৰে-

যোজনা ঃ

তৰাৰ তৰপীয়া পাতে সমনীয়া অ'
তৰাৰ তৰপীয়া পাত।
তৰাৰে তলতে ধেমালি কৰোঁতে

বৰষুণ নপৰে গাত।।

নাম ঃ

চ'ততে ছিৰিলো গিৰিপ্ গিৰিপ্ ঐ
তৰা সমনীয়া গিৰিপ্ গিৰিপ্ ঐ
ৰ'দতে শুকোৱাই গিৰিপ্ গিৰিপ্ ঐ
ৰ'দতে শুকোৱাই থ'লো।...

বিহু নামৰ যাদুকৰী প্ৰচণ্ড সুৰ আৰু হাত চাপৰিৰ পৰা ধৰি বিভিন্ন বাদ্যৰ শব্দ সমন্বয়ৰ মাজতে মুখৰিত হয় জাত জাত বিহু নামৰ ধ্বনি।

জিন জিন জান জান কৰে অ' আইটি,
দুৱাৰত নিদিবি ডাং অ' আইটি
মোৰ আই পুনুকী নাচ;
হাতে মেলি, ককাঁল ভাঙি নাচ।

লগে লগে আন এজনে আকৌ গাই এনেদৰে–

নলবাৰী নলনিতে জকাই বাওঁ,
পদুমণি পুখুৰী পানী খাওঁ,
ল'ৰাহঁত ঐ, বুঢ়াহঁত ঐ
বিহু মাৰিবলৈ
বিহু মাৰিবলৈ যাওঁ।

আকৌ আন এজনৰ মুখত শুনিবলৈ পোৱা যায় এনেদৰে–

কলৈ যাম কি কৰিম এ- ইস্
ক'তে সোমাই মৰিম এ- ইস্
কলৈ গ'লে পাহৰিম তোকে লীলা...

বাৰীত চৰে ভতৰা গৰু, লীলা,
বহিবলৈ নিদিলা পীৰা লীলা,
সান্দহকে কৰি যাম ছিৰা লীলা
হাবি কাটি ছিটিকা পাতিম হৰি,
য'তে মৰ ত'তে দিম হেৰ'
য'তে মৰ ত'তে দিম খৰি।

তৰাছিগা বিহুটো ঠেঙ্গাল জনগোষ্ঠীটোৰ বাপুতি সাহোন বুলি ক'ব পাৰি। কৃষিজীৱী ঠেঙ্গালসকলৰ তৰা ছিৰা বিহু গীত-মাতত অসমৰ কেঁচা মাটিৰ গোন্ধ আছে, প্ৰাকৃতিক সৌন্দৰ্য আছে।

**<u>বিহুগীত ঃ</u>**

কৃষিজীৱী অসমীয়াৰ আনন্দৰ উখ্মসৰ ব'হাগ বিহু। ব'হাগ বিহুৰ আগমনে প্ৰতিজন অসমীয়াৰ মন-প্ৰাণ উথলি উঠে। ঠেঙ্গাল কছাৰীসকলেও বিহু বুলি মন-প্ৰাণ ঢালি আনন্দ কৰে। বিহু গীতবোৰত ঠেঙ্গাল জনগোষ্ঠীটোৰ ডেকা-গাভৰু, ডেকা-মেথাৰ আনন্দৰ, যৌৱনৰ বহিঃপ্ৰকাশ ঘটা দেখিবলৈ

পোৱা যায়।

(ক) ধনলৈয়ে বুলি
খুন্দো পিঠাগুৰি
পুৰুৱাই ঐ পিপৰাই খাম
ঔনো কুমলীয়া
খাব মই নোৱাৰো
তিতিকি ঐ তিতিকি লাগে।
মননো কুমলীয়া
বুজাব নোৱাৰো
উচুপি ঐ উচুপি কান্দো।...

(খ) উজায়ে গমে গমাই কোম্পানী জাহাজখন
ভটিয়াই আহিকে নাও
নাৱৰে টিঙতে চেনাই উঠি আহে
দুয়ো একেলগে যাওঁ।
পানী দেখি লাগিলে পানীৰে পিয়াহটি
তোমাক দেখি লাগিলে দয়া।

(গ) গুণাইকেতু ঘনশ্যাম
বাটত পালে জোকাই চাম
বাপেৰ মাৰে কৰিব কি?
কি এ টি ঐ মতিলাল
হাততে ঐ খুটিতাল
বহিলো বজাবলৈ ভাল।
এ টি ঐ ৰূপেজোন
খোপাতে ঐ গেজেং ফুল
মাৰিছে ঐ মাৰিছে ঐ বিচনীৰ নাল।...

বিহুগীত লোকসাহিত্যৰ অমূল্য সম্পদ। এই গীতবোৰত ঠেঙ্গাল জনগোষ্ঠীৰ লোকজীৱনৰ ব্যৱহৃত বস্তু সংস্কৃতি আৰু নৈসৰ্গিক সম্পৰ্কে প্ৰতিফলিত হৈছে।

**বিয়া নাম ঃ**

প্ৰত্যেক জনগোষ্ঠীৰে নিজৰ ৰীতি-নীতিৰে বিবাহ অনুষ্ঠান সমাজত পালন কৰা দেখা যায়। বিবাহ অনুষ্ঠানৰ বিভিন্ন আচাৰ অনুচাৰৰ লগত জড়িত বিভিন্ন গীতসমূহক বিয়াগীত বুলি কোৱা হয় ঠেঙ্গাল কছাৰী জনগোষ্ঠীৰ স্বকীয় পৰম্পৰাৰে সমৃদ্ধ বিবাহ অনুষ্ঠানত নাৰীসকলৰ মুখত বিয়াগীতসমূহে সুকীয়া মাত্ৰা প্ৰদান কৰি আহিছে। জোৰোণ বা টেকেলি দিয়া, গাঁঠিয়ন খুন্দা, পানীতোলা, দৰা আদৰা, কইনা সজোৱা, দৰা-কইনা হোমৰ গুৰিত বহা, কন্যা সম্প্ৰদান, সুৱাগুৰি তোলা, কইনা আদৰা আদি বিভিন্ন বিয়াগীত ঠেঙ্গাল মহিলাসকলৰ মাজত প্ৰচলিত।

'গাঁঠিয়ন খুন্দা' ঠেঙ্গাল নাৰীসকলে পালন কৰা এটি পৰম্পৰা।

সাতজনী আয়তী গাঁঠিয়ন খুন্দতী
উৰুলি এজোকা দিয়া ৰামে হৰি
উৰুলি এজোকা দিয়া।
উজনি ৰাজ্যৰে খুন্দে গাঁঠিয়ন
নামনি ৰাজ্যৰে পটা হে
নামনি ৰাজ্যৰে পটা।...

বিবাহ অনুষ্ঠানত দৰা-কইনা নোৰৰা সময়ত মিঠাতেলৰ ব্যৱহাৰ কৰা হয়।

এপতীয়া সৰিয়হ দুপতীয়া হ'ল
দুপতীয়া সৰিয়হ তিনিপতীয়া হ'ল
তিনিপতীয়া সৰিয়হ ফুলিবৰ হ'ল
ফুলিলে সৰিয়হ পকিবৰ হ'ল
পকিলে সৰিয়হ মাৰিবৰ হ'ল
মাৰিলে সৰিয়হ জাৰিবৰ হ'ল
জাৰিলে সৰিয়হ পেৰিবৰ হ'ল
পেৰিলে সৰিয়হ ওলালে তেল
সেয়া তেলকে ৰামচন্দ্ৰৰ বিয়ালৈ লাগে ৰামে হৰি
ৰামচন্দ্ৰৰ বিয়ালৈ লাগে।...

বিয়াৰ আগদিনা ঠেঙ্গাল নাৰীসকলে গাঁঠিয়ন খুন্দা অনুষ্ঠানত দৰা-কইনাক নতুন জীৱনৰ বাবে প্ৰস্তুত কৰি তোলে। বিয়ানাম আৰু উৰুলি ধ্বনিৰে বিয়াঘৰৰ পৰিৱেশ জীপাল কৰি কৰি তোলে। নতুন জীৱনৰ পাতনি মেলাৰ আনন্দৰ স্বতঃস্ফূৰ্ত প্ৰকাশ বিয়ানামবোৰৰ অন্যতম তাৎপৰ্য।

উজনি অঞ্চলত প্ৰচলিত বিবাহ অনুষ্ঠানত প্ৰচলিত 'যোৰানাম' যিবিলাকক নামনি অসমত 'খিচাগীত' বুলি কয়। বিবাহনুষ্ঠানৰ বিভিন্ন কৰ্মৰ লগত জড়িত থকা বিভিন্ন চৰিতসমূহক সম্বলিত কৰি ধেমেলীয়া ৰূপত 'যোৰা' দি গোৰা হয় বাবে এইবোৰক 'যোৰানাম' বোলে। ঠেঙ্গাল কছাৰীসকলৰ মাজত পূৰ্বে প্ৰচলিত যোৰা নামবোৰ আছিল অতি বৈশিষ্ট্যপূৰ্ণ। উদাহৰণস্বৰূপে-

**কইনাঘৰে ঃ**

১। অৰনে অৰনে আহিলা বোপাটি
পদূলিত পালাহি বোকা,
চোতালত পালাহি কেঁচা আমেখৰি
ভিতৰত সোমাই আছে সীতা।

**দৰাঘৰে ঃ**

২। ভাত খাই আহিৰে গৰমে গৰমে
গাখীৰ খাই আহিছোঁ এৰাঁ,
আলিফুটত ভৰি ধুই আহিছো

তাইহঁতে কৰকহি সেৱা।

**কন্যাঘৰে ঃ**

৩। আজি ৰুণেজুণে কালি ৰুণেজুণে
ৰুণজুণ পানৈৰে বিয়া।
অকলে কি জয়গু পাতিব
লগত নাই সাৰথি সীতা।

৪। ভাৰতে নানিলা চুৰুপা চুৰুপী
হোমলৈ নানিলি ঘিঁউ,
মাৰৰ ডিঙিৰে মণিধাৰা নানিলা
কিহৰে খেলিবা জিউ।

**দৰাঘৰে ঃ**

৫। জিউ খেলি পালে সোণৰ মণিধাৰি
হাতে জিকে মিকাব,
শহুৰৰ জীয়ৰী যিহে টেঙৰী
টিপতে লুকুৱাই থ'ব।

**নোৱাই তোলনি গীত ঃ**

ছোৱালী প্ৰথম পুষ্পিতা হ'লে আয়োজন কৰা এই অনুষ্ঠানে ঠেঙ্গাল কছাৰীসকলৰ স্বকীয়তা বহন কৰি আহিছে। অতি উলহ-মালহেৰে আয়োজন কৰা নোৱাই তোলনি বিয়াৰ অন্যতম আকৰ্ষণ হ'ল বিয়াগীতসমূহ। ঠেঙ্গাল কছাৰীসকলৰ প্ৰধান অনুষ্ঠান নোৱাই তোলনি বিয়াৰ 'কনাই বন্ধা', 'কনাই লোৱা বা খেলা' আৰু 'কলাই ভঙা'ৰ এক সুকীয়া পৰিচয় আছে। এযোৰ তামোল পাণ, পইচা, আঁচুসূতা, মাকৰ তিনিডাল চুলিৰে বন্ধা তিনিটা ডিমৰু গুটি গামোচাৰে বান্ধি কৰা টোপোলাটোৰেই 'কনাই', 'কনাই বন্ধা' পৰম্পৰাৰ মূল কনাই'ৰ অৰ্থ কানাই বা কৃষ্ণ পুষ্পিতা কনাই ভৱিষ্যতে কৃষ্ণৰ দৰে সন্তানৰ মাতৃ হোৱাৰ কামনা কৰি কনাই জন্ম হয়।

**১। কনাই লোৱা বা খেলা নামঃ**

(ক) এ কনাই আনদিয়া, এ কনাই বিনদিয়া
এ কনাই হ'ল নাহৰৰ কলি হে,
এ কনাই সৰুমৰু, এ খহটা ডিমৰু
এ ডিমৰু গছতে লাগে হে,
এ কানাইৰে হাততে, এ নলীয়া কটাৰী
এ ৰুলে কামৰ ডালি হে।
এ কনাই খৰি লুৰে, এ এঙনি-জেঙনি
এ লুৰে কদমৰ ডালি হে।
এ আবেলি বেলিকা, এ কনাই ওপজিলে
এ তাৰো নাম থ'লে ভোলা হে

এ দেউতাক গৈছিলে, এ দিখৌ শদিয়ালে
এ তাৰো নাম ভোলা হে
এ আবেলি বেলিকা, এ কনাই নুলিয়াবা
এ চিলাই থাপে মাৰি নিব হে।
এ চিলাই থাপে মাৰি, এ মদাৰত তুলিব
এ বুঢ়ীমাক বাউলি হ'ব হে।

(খ) এ সাত নৈ সাতুৰি, এ বুঢ়ীমাক আহিছে
এ নাতিকে একোলা লওঁগৈ বুলি হে
এ এজনী বুঢ়ীমাক, এ লেৰেলী-চেৰেলী
এ এজনী বুঢ়ীমাক কলী হে।
এ এজনী বুঢ়ীমাক, এ বগী ঢকঢকী
এ পেলাইকে আধলি টকা হে।
এ শালতে এৰিলে, এ চেলেং সাতে কাঠি
এ যতঁৰত এৰিলে পাঁজি হে।
এ আজি সাতেদিনে, এ ক'তে সোমোই আছিল।
এ বুকুতে পানী ল'ৰা বান্ধি হে।

২। **কনাই ভঙা নামঃ**

কনাই লোৰা শেষ হ'লে সমাজৰ মূল আইগৰাকীয়ে কনাই ভাঙে বা মেলে।

হুৰে দৰিকা, হুৰে দৰিকা
নাচনীকা দৰিকা বিয়া কৰায়,
গাহে ৰঙচঙ, খোপাহে কলিচঙ
হিয়া ভাটি হিয়া দৈ
নাচনী বিয়া কৰায়।
ভলুকা বাঁহৰ লুটুপুটু
কনাই ভাঙিলে।

৩। **কনাই ভঙা ধেমেলীয়া নামঃ**

কনাই ভাঙোতে ঠেঙ্গাল আয়তীসকলে কনাইৰ ৰূপ-গুণ ধেমেলীয়াকৈ গাই নাচি-বাগি হাস্যৰস সৃষ্টি কৰে-

এ মাৰৰ নিচিনা নহ'লি
বাপেৰৰ নিচিনা নহ'লি
বাৰীৰ চুকত আছিলে
চেৰেপেটি ভেকুলী বেং
তাৰে চাৰিটা ঠেং
পানীমলা গছতে

মাৰিলে যাব,
ভলকি পৰিলে
বঙা খবুৰা কপিদাৰ।

ঠেঙ্গালসকলৰ তোলনি নামসমূহ অসমীয়া লোক সাহিত্যলৈ এক বিশিষ্ট অৱদান।

**ভেকুলী বিয়াৰ গীত ঃ**

কৃষিজীৱী অসমীয়া সমাজৰ এক বিশেষ অনুষ্ঠান হৈছে ভেকুলী বিয়া। অনাবৃষ্টি দুৰ কৰিবৰ বাবে পালন কৰা ভেকুলী বিয়া ঠেঙ্গাল কছাৰী জনগোষ্ঠীৰো এক উল্লেখযোগ্য পৰম্পৰা চুক ভেকুলীৰ টোবটোৱণিত মেঘে বৰষুণ দিয়ে বুলি বিশ্বাস সেয়ে চুক ভেকুলীক চুকৰ পৰা উলিয়াই বিয়া পাতি আয়তীয়ে গায়-

(ক) ৰ'দে বৰষুণে দিয়া এ
খৰা শিয়ালৰ বিয়া এ
মনচিৰিকাই তামোল কাটিছে
আমাকো এখনি দিয়া এ।
চুকৰে ভেকুলী চুকতে আছিলে
আজি ধনে বিয়া দিলো এ।

(খ) ৰাম ৰাম ভেকোলা ভেকুলী
ৰাম ৰাম চুকতে আছিলে
আজি ভেকুলীৰ বিয়াহে
জাক জাক বৰষুণ দিয়াহে। ইত্যাদি

ঠেঙ্গালসকলৰ মাজত প্ৰচলিত ভেকুলী বিয়াৰ নাচ অতি সীমিত। ভেকুলী বিয়া নামে কৃষিজীৱী জনগোষ্ঠীটোৰ পৰম্পৰাগত লোক বিশ্বাসক প্ৰতিফলিত কৰে।

**খোলাং বুঢ়ী নাচ গীত ঃ**

ঠেঙ্গাল কছাৰীসকলৰ বিবাহ অনুষ্ঠানৰ এটা আকৰ্ষণীয় পৰম্পৰা হ'ল, খোলাং বুঢ়ী নাচ বা খোলাংবুঢ়ী নাচ। হাস্যৰসাত্মক খোলাংবুঢ়ী নচা পৰম্পৰাগত গীতসমূহে ঠেঙ্গাল লোকগীতত অন্যতম ভূমিকা পালন কৰি আহিছে। ই জনগোষ্ঠীটোক সুকীয়া পৰিচয় প্ৰদান কৰিছে। তেওঁলোকে বিয়াৰ গাঁঠিয়ন খুন্দা আৰু সুবাগুৰি তুলিবলৈ যাওঁতে গীত গাই গাই খোলাংবুঢ়ী নাচে।

খোলাংবুঢ়ী নাচত খোলাকটি বান্ধি লোৱা লাখুটি এডাল অন্যতম। ঢোলৰ ছেৱত লাখুটিডালে তাল ৰাখি মূৰত ডলা এখন লৈ খোলাংবুঢ়ী নাচে। সেয়ে লাখুটিৰ গুৰুত্ব গীতৰ প্ৰকাশ কৰে এনেদৰে-

(ক) ঘ্ৰেন দাঁও দাঁও, ঘ্ৰেন দাঁও দাঁও
লাখুটি বাওঁ, বাওঁ
লাখুটি নহ'লে তেনেকৈ যাওঁ।
নাচে খোলাংকৰী নাচে
কি কি আনিছা দিয়া খোলাংকৰী

কনাই কোঁচে পাতি লওঁ।

খোলাংবুঢ়ী নাচৰ নাচনীগৰাকীয়ে বিভিন্ন অভিনয় কৰি হাস্যৰস সৃষ্টি কৰে। গীতৰ মাজত খোলাংবুঢ়ীৰ বিভিন্ন ৰূপৰ বৰ্ণনাও হাস্যৰসাত্মক–

(খ) নাচ বগী নাচ
তয়ো বগী ময়ো বগী
একেখন বিলৰে মাছ।
ৰঙা পূবৈ বগা পূবৈ
বৰঘৰৰ মজিয়ালৈ
কিমান দূৰ ঐ।
চৰাই-চিৰিকতিয়ে পহু পটং
খোলাংকৰী নাচিছে জপং জপং
খোলাংকৰী নাচিছে চা
খোলাংকৰী নাচিছে চা
খোলাংকৰী নাচিছে
বাঁহতলৰ জিঘিনী
খালৰ কোটাংকৰী
জিপাং জিপাংকৰী
জিপাং জিপাংকৰী
জিপাং জিপাংকৰী
জিপাং জিপাংকৰী চা/নাচ বগী নাচ
তয়ো বগী ময়ো বগী
একেখন বিলৰে মাছ

**শুধিসবাহৰ গীত ঃ**

জন্ম সম্পৰ্কীয় লোকাচাৰৰ অন্যতম হ'ল শুধিসবাহ। ঠেঙ্গাল কছাৰীসকলে শুধিসবাহ অনুষ্ঠানত আশীৰ্বাদসূচক প্ৰাৰ্থনাৰ উপৰিও ঠেঙ্গাল মহিলাসকলে নিজস্বভাৱে দুই-এটা নামে পৰিৱেশন কৰে।

"এচপৰীয়া পানীয়ে আয়ে গা খুৱালে
চেচুৰে কাটিলে নাড়ি
শিলৰ অস্তেৰে শিৰত ফোঁট দিলে
ল'লে জাতি কুললে তুলি"... ইত্যাদি

**২.০২ বুৰঞ্জীমূলক আখ্যান গীত ঃ**

বুৰঞ্জীমূলক আখ্যান গীতত বুৰঞ্জীৰ উল্লেখযোগ্য ব্যক্তিৰ জীৱন কাহিনী সুৰেৰে সজাই তোলা হয়। অসমৰ বুৰঞ্জীৰ মাজত পোৱা লাচিত বৰফুকন, মণিৰাম দেৱান, জয়মতী কুঁৱৰী আদিৰ জীৱনৰ চৰ্যা বুৰঞ্জীমূলক আখ্যান গীতত পোৱা যায়।

১। হৰিণা বিৰিণা আগে বাইদেউ কৈছিলা,

সপোনত দেখোতে গদাপাণিৰ নিচিনা।
গদাপাণি যাবগৈ নগাৰ পাহাৰলৈ,
আমাৰ বাইদেউ নগাৰ পাহাৰলৈ,
আমাৰ বাইদেউ অকলে থাকিব কেনেকৈ।
যিহে চাউদাং চমতাৰে কোবাব,
কেঁটকোৰা গছতে অকাই-পকাই বান্ধিব।
চুৰত পাত মেলিব, কেঁটকোৰাই বিন্ধিব।
তপত লো লগায় গাৰ চাল এৰিব।
উচুপি উচুপি নেকান্দ জয়মতী,
জেৰেঙা পথাৰত তেজেৰে ৰাঙলী।
বাটৰুৱা ভেষেৰে গদাপাণি আহিব,
ল'ৰাৰজা আহিয়ে স্বামী কথা সুধিব।
হে'ৰ' মানুহজনী, তইয়ো বাৰুজনী।
কৈ দে স্বামীৰ কথা, নিজৰ স্বামী কথা।
বাটৰুৱা বাটে যা, নকওঁ স্বামী কথা।
কান্দি কান্দি গদাধৰ পাহাৰলৈ আহিব,
ডালিমীৰে লগত নানা খেল খেলিব।
লাই-লেচাই দুয়োটি ভাই,
কান্দিলে যে ইনাই বিনাই।
জেৰেঙা পথাৰত তেজেৰে ৰাঙলী,
অকলে এৰিলে মা আমাৰ মৰিলে।
গদা আমাৰ দেউতা ঐ ডালিমীকে বৰীলে,
ৰংঘৰ কাৰেংঘৰ তলাতল এৰিলে।

**২.০৩ বিবিধ বিষয়ক গীত ঃ**

ঠেঙ্গাল কছাৰীসকলৰ মাজত প্ৰচলিত নিচুকনি গীত, অন্যান্য খেল-ধেমালিৰ গীত, চাক্চন মতা গীত বাৰখৰৰ বৰষুণ মতা বা ঢেঁকী চোঁচৰোৱা গীত ইত্যাদিবোৰক বিবিধ বিষয়ক গীতত অন্তৰ্ভুক্ত কৰিব পাৰি। ইয়াৰোপৰি বিবিধ বিষয়ক গীতৰ ভিতৰতে ধৰিব পাৰি।

(ক) নিচুকনি গীত

নেকান্দিবা নেকান্দিবা ঐ
তলত বগৰী আছে
ওপৰলৈ নেচাবা ঔ মইনা
টোপনি যাবলৈ চাবা।
লগৰীয়ে বগৰী খালে ঐ মইনা
লগৰীয়ে বগৰী খালে
হেনো লগৰীয়ে কিনো বেয়া পালে

জাপি কাতি কৰি চালে।

(খ) গৰখীয়া গীত

গাঁৱত গৰখীয়াবোৰে গৰু চৰাবলৈ যাওঁতে নানাধৰণৰ গীত গায়। উদাহৰণস্বৰূপে–

(ক) হাবিতে আছিলে হয়কলি চৰাইটি
ছিটিকা মুখলৈ চাই।
ভদৌকলী চৰাইয়ে চিঠিখন লিখিলে
জাহাহক আনিব পায়।

(খ) সৌজোপা শিমলু যমেকলা ডিমৰু
চেকে চেকে কৰিলে কোনে?
তোলৈ মোৰ মনত পৰিলে
দেহি ঐ কোনোবাই কিবা কৰিলে।

(গ) বৰদৈচিলা গীত
ব'হাগৰ বিহুত বৰদৈচিলা
মাকৰ ঘৰলৈ যায়,
ঘৰ-দুৱাৰ ভাঙি ছিঙি
নিলে উৰুৱাই
আউলী-বাউলী কলা চুলি মেলি
কিয়নো মাৰিছা লৰ।
লাহে ধীৰে গ'লেও দেখোন
পাবাগৈ মাৰাৰ ঘৰ

(ঘ) বৰষুণ দিলে গোৱা গীত
মেঘে গৰজিলে জাক জাক কৰি
হৰিয়ে ৰাখিলে গোৰ্বধন কৰি
হয়তো প্ৰভুদেউ গোপিনীক নেৰিব।

(ঙ) বৰষুণ আমন্ত্ৰণ কৰা গীত
এগাঁঠি পানীতে কোঁৱৰে গা নুধোৱে
এ আঁঠু পানীলৈ যায়।
এ আঁঠু পানীতে কোঁৱৰে গা নুধোৱে
এডিঙি পানীতে কোঁৱৰে গা নুধোৱে
এমূৰ পানীলৈ যায়।
আমি জলকুঁৱৰীক মাতিছো এ
বাকক বাকক কলঙৰ পানী
বুবক বুবক পথাৰৰ দিয়া এ
মেঘ দেউতা পানী দিয়া এ

বাইজসকল মৰিছে কান্দি এ...

(চ) এৰী মুগা পলুৰ গীত

(ক) চকৰা এ আইচ আইচ।
চকৰী এ আইচ আইচ।।
চকৰা আহে বাৰীৰ পাছে।
চকৰী আহে দুৱাৰ মুখে।।
চকৰী আছে মূৰে মেলাই।
চকৰা আছে গা ঘেলাই।।

(খ) মুগাকৈ চুঙীয়া কাউৰী শতৰু
মুগা পুহিবলৈ টান।
বৰঘৰ শুৱনি জীয়ৰী ছোৱালী
উলিয়াই দিবলৈ টান"

(ছ) চাকচন মাতা গীত

চাকাচন এ শীতলি শীতলি,
মাৰ বাপেৰ আহিকে গধূলি গধূলি।
আম গছত নপৰিবি আম আঠা লাগিব,
কঁঠাল গছত নপৰিবি কঁঠাল আঠা লাগিব।
আমাৰ গাতে পৰিবি
জাকে জাকে উৰিবি
তই হ'বি তই হ'বি তেলেতীয়া

(জ) চিকাৰত গোৱা গীত

হাতী চিকাৰ কৰিবলৈ গৈ তাত হাতীৰ মাউত, ফান্দীসকলে বিভিন্ন গীত গাই নিজৰ মনৰ কথা প্ৰকাশ কৰে এনেদৰে–

(ক) বিলাই ঐ বিলাই পলাই যায়
কাৰ ঘৰে ৰঙীয়া বিলাই ৰে।
বিলাই ঐ হাবিত হস্তী বন্দী হৈলে
গলে লৈলা জৰী ৰে।
কাৰ ঘৰে ৰঙীয়া বিলাই ৰে।
অ' বিলাই ৰে কঁকালে জিঞ্জিৰি বাজে।
পাবে লৈলাম বেৰী ৰে।
কাৰ ঘৰে ৰঙীয়া বিলাই ৰে।
বিলাই ৰে বিলাই পলাই যায়।

(খ) হাতী চিকাৰলৈ ঐ হে
নার্থ ঐ ওলালে বৰে ফান্দী

ফানক কৰি গ'লে সেৰা।
হলৌ ললৌ হলৌ ললৌ
বগৰী খায়।
আৰি মৰা কোঠানীতে ভীক্ষা মাগি যায়
এ হলৌ ললৌ হলৌ এ,

(গ) চতায় পৰ্বতে নাথ এ ধুৱনী কুঁৱলী
কোনে ভাত ৰান্ধি খায়।
মাক নাই মাউৰা তিৰী নাই বৰলা
হাতী ধৰিবলৈ যায়।
হাতী হেৰুৱালে লিহিৰি বনতে
ঘোঁৰা হেৰুৱালে ৰণত
পাই হেৰুৱালে সৰগৰ মুকুতা
চোতালৰ দুৱৰি বনত।

## সিদ্ধান্ত

১। ঠেঙ্গাল কছাৰীসকল মৌখিক সাহিত্যত চহকী।

২। ঠেঙ্গাল কছাৰীসকলৰ মাজত প্ৰচলিত লোকগীতক অনুষ্ঠানমূলক, আখ্যানমূলক আৰু বিবিধ বিষয়ক আদি শ্ৰেণীৰ মাধ্যমত প্ৰত্যক্ষ কৰিব পাৰি।

৩। ঠেঙ্গাল কছাৰীসকলে বিভিন্ন ধৰ্মীয় ৰীতি-নীতিৰ উপৰিও উৎসৱ-পাৰ্বণত পৰম্পৰাগতভাৱে গীত-মাত গাই আনন্দ কৰে।

৪। ঠেঙ্গাল কছাৰীসকলৰ সামাজিক-সাংস্কৃতিক পৰম্পৰাত জনজাতীয় বৈশিষ্ট্য বিদ্যমান।

৫। ঠেঙ্গালসকলৰ মৌখিক সাহিত্যৰ বহু সমল ব্যৱহাৰ অভাৱত হেৰাই গৈছে।

## উপসংহাৰ ঃ

অসমীয়া জাতিৰ অন্যতম অংগ হৈছে ঠেঙ্গাল কছাৰীসকল। অসমত বসবাস কৰা ঠেঙ্গাল কছাৰী জনগোষ্ঠীটোৰ  মাজত বাৰেবৰণীয়া সংস্কৃতিৰ স্বৰূপ দেখিবলৈ পোৱা যায়। তেওঁলোকে অসমীয়া ভাষা, কলাকৃষ্টি, সাহিত্য, সাজ-পাৰ, গীত-মাত, আচাৰ-ব্যৱহাৰ গ্ৰহণ কৰি মূল সুতিটোত বিলীন হৈ গৈছে যদিও নিজৰ কৃষ্টি, ভাষা, সংস্কৃতি অক্ষুণ্ণ ৰখাৰ চেষ্টাও অব্যাহত ৰাখিছে, 'অসমৰ ঠেঙ্গাল কছাৰী জনগোষ্ঠীৰ লোকগীত' শীৰ্ষক বিষয়টোৰ প্ৰথম অধ্যায়ত ঠেঙ্গাল কছাৰীৰ ইতিহাসে আৰু তেওঁলোকৰ পৰিচয় দাঙি ধৰা হৈছে। অধ্যয়নটোত ঠেঙ্গালসকলৰ ঐতিহাসিক তথ্য আৰু ঠেঙ্গাল নামৰ উৎপত্তিৰ পৰিচয় দিয়া হৈছে 'ঠেঙ্গাল কছাৰীসকলৰ সংস্কৃতিৰ জীৱনৰ বিষয়ে আলোচনা কৰি তেওঁলোকৰ সমাজৰ লোকগীত সমূহৰ বিষয়ে আলোচনা কৰা হৈছে।

**প্ৰসংগসূচী ঃ**


১। যোগেশ্বৰ বড়া ঃ প্ৰাগুক্ত প্ৰবন্ধ পৃঃ ২০

২। যোগেশ্বৰ বড়া ঃ চীনৰ পৰা দৈয়াঙলৈ (প্ৰবন্ধ) স্মৃতিগ্ৰন্থ, সদৌ অসম ট্ৰাইবেল সংঘ তিতাবৰ ১৯৯৯ পৃ. ২২

৩। যোগেশ্বৰ বড়া ঃ প্ৰাগুক্ত প্ৰবন্ধ পৃ. ২২

৪। যোগেশ্বৰ বড়া ঃ প্ৰাগুক্ত প্ৰবন্ধ

৫। যোগেশ্বৰ বড়া ঃ প্ৰাগুক্ত প্ৰবন্ধ

৮। Endle, Rev, Sidney ঃ The kacharis 1975 p.4

৯। Bhuban Mohan Das ঃ The people of Assam 1987 p. 48-49

৮। নবীন চন্দ্ৰ শৰ্মা ঃ অসমীয়া লোকঃ সংস্কৃতিৰ আভাস ১৯৯৫ পৃ. ২-৩

১০। The new Eneyclopaedia Britannica : 1991, Vol-3, p-784

**গ্ৰন্থপঞ্জী ঃ**


ঠেঙাল, হেমেন্দ্ৰ (সম্পা.) ঃ ঠেঙ্গাল দৰ্পণ, স্মৃতিগ্ৰন্থ, সপ্তম প্ৰকাশ, মাৰ্চ, ২০০৭

শইকীয়া, নগেন ঃ গৱেষণা পদ্ধতিৰ পৰিচয়, কৌস্তুভ প্ৰকাশন, নতুন বজাৰ, ডিব্ৰুগড়-১ প্ৰথম প্ৰকাশ, ছেপ্টেম্বৰ, ১৯৯৬, নৱম মুদ্ৰণ মাৰ্চ, ২০০২

শইকীয়া, বন্তি (সম্পা.) ঃ ঠেঙ্গাল দৰ্পণ, স্মৃতিগ্ৰন্থ, সদৌ অসম ঠেঙ্গাল কছাৰী সংগঠন নৱম দ্বি-বাৰ্ষিক অধিবেশন, তিতাবৰ, যোৰহাট, জানুৱাৰী, ২০০৯

শইকীয়া, মণ্টু (সম্পা.) ঃ ঠেঙ্গাল দৰ্পণ, স্মৃতিগ্ৰন্থ, সদৌ অসম ঠেঙ্গাল কছাৰী সংগঠন দ্বিতীয় দ্বি-বাৰ্ষিক অধিবেশন, তিতাবৰ, যোৰহাট, এপ্ৰিল, ২০০২

শৰ্মা, নবীনচন্দ্ৰ ঃ অসমীয়া লোক সংস্কৃতিৰ আভাস, বাণী প্ৰকাশ, গুৱাহাটী, ২০১৮

শৰ্মা, মুকুট ঃ ঠেঙ্গাল কছাৰী জীৱন আৰু সংস্কৃতি, অসম বুক ট্ৰাষ্ট, গুৱাহাটী-৩, প্ৰথম প্ৰকাশ, জুলাই, ২০১৯

শইকীয়া, সৰোজ (সম্পা) ঃ ঠেঙ্গাল দৰ্পণ, স্মৃতিগ্ৰন্থ, সদৌ অসম ঠেঙ্গাল কছাৰী সংগঠনৰ ত্ৰয়োদশ দ্বি-বাৰ্ষিক অধিবেশন ৩০ মাৰ্চ, ২০১৯

হাজৰিকা, পদ্ম ঃ ঠেঙ্গাল দৰ্পণ, স্মৃতিগ্ৰন্থ, সদৌ অসম ঠেঙ্গাল কছাৰী সংগঠনৰ চতুৰ্দশ দ্বি-বাৰ্ষিক অধিবেশন, ১৫ মে', ২০২২

| তথ্যদাতাৰ তালিকা | | |
|---|---|---|
| নাম | বয়স | গাঁও |
| যোগেশ্বৰ বড়া | ৭০ | ২ নং বেবেজীয়া কছাৰী গাঁও, তিতাবৰ, যোৰহাট। |
| সুচিত্ৰা কছাৰী | ৬০ | ২ নং বেবেজীয়া কছাৰী গাঁও, তিতাবৰ, যোৰহাট। |
| পুহিতা কছাৰী | ৬২ | কচুখাট, তিতাবৰ, যোৰহাট। |
| কনক কছাৰী | ৬৫ | কচুখাট, তিতাবৰ, যোৰহাট। |
| মিহিকান্ত কছাৰী | ৬৭ | কচুখাট, তিতাবৰ, যোৰহাট। |
| ফুল শইকীয়া | ৬৮ | চেকুৰীয়া, তিতাবৰ, যোৰহাট। |
| ডিম্বেশ্বৰ কছাৰী | ৮২ | লায়েট ন-চুঙী, তিতাবৰ, যোৰহাট। |
| ভুবন বড়া | ৬২ | ২ নং বেবেজীয়া কছাৰী গাঁও, তিতাবৰ, যোৰহাট। |